# মোদী চুগাৰ মিলছ লিমিটেড

## বনাম

## বিক্ৰী কৰ আয়ুক্ত, উত্তৰ প্ৰদেশ, লক্ষ্ণৌ

## ১৬ নৱেম্বৰ, ১৯৬৫

## [ন্যায়াধীশ কে. চুব্বা ৰাও, জে চি শ্বাহ আৰু এছ এম ছিক্ৰি]

উত্তৰ প্ৰদেশ বিক্ৰী কৰ আইন, (১৯৪৮ চনৰ ১৫), ধাৰা ৭ আৰু উত্তৰ প্ৰদেশ বিক্ৰী কৰ নিয়ম, নিয়ম ৩৯ আৰু ৪০ – বিগত বছৰৰ ভিত্তিত কৰ পৰিশোধ – মূল্যায়ন বছৰৰ মুঠ বিক্ৰীৰ ওপৰত কৰ দাখিল কৰিবলৈ চয়ন – প্ৰয়োজন হ'লে আয়ুক্তৰ অনুমোদন।

১৯৪৮–৪৯, ১৯৪৯–৫০ আৰু ১৯৫০–৫১ চনৰ মূল্যায়ন বছৰৰ বাবে আপীলকাৰীৰ প্ৰতিটো প্ৰাসংগিক পূৰ্বৰ বছৰৰ মুঠ বিক্ৰীৰ ওপৰত পৰিশোধ কৰা কৰৰ ভিত্তিত মূল্যায়ন কৰা হৈছিল। ১৯৫১–৫২ চনৰ মূল্যায়ন বছৰৰ বাবে আপীলকাৰীয়ে উত্তৰ প্ৰদেশ বিক্ৰী কৰ নিয়ম নিয়ম ৩৯(১)ৰ অধীনত পূৰ্বৰ বছৰৰ পৰিৱৰ্তে মূল্যায়ন বছৰৰ তেওঁৰ মুঠ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিছিল। বিক্ৰী কৰৰ ন্যায়াধীশ (পুনৰীক্ষণ)এ ৰায় দিছিল যে বিক্ৰী কৰ আয়ুক্তৰ অনুমোদন অবিহনে নিয়ম ৩৯(২) অনুসৰি আপীলকাৰীৰ তেনে কৰাৰ অধিকাৰ নাছিল আৰু উচ্চ ন্যায়ালয়েও এটা প্ৰসংৰ ভিত্তিত আপীলকাৰীৰ বিৰুদ্ধে ৰায় দিছিল।
এই আদালতত আপীল কৰা হৈছেঃ

**নিৰ্ধাৰণ হয় যে:** উচ্চ ন্যায়ালয়ৰ ৰায়দান আপীলকাৰীৰ পক্ষত হ'ব লাগিছিল। [৬১০ এইছ]

নিয়ম ৩৯(১) অনুসৰি এজন বিক্ৰেতাই চয়ন কৰে যে তেওঁক পূৰ্বৰ বছৰৰ নহয় মুঠ বিক্ৰীৰ ক্ষেত্ৰত মূল্যায়ন কৰা হ'ব, যিটো ধাৰা ৭ ৰ অধীনত স্বাভাৱিক প্ৰক্ৰিয়া, কিন্তু মূল্যায়ন বছৰৰ মুঠ বিক্ৰীৰ সম্পৰ্কতহে। নিয়ম ৩৯(২), বিক্ৰী

কৰ আয়ুক্তৰ অনুমোদনৰ প্ৰয়োজনীয়তা থকাটোৱে কেৱল সেই ক্ষেত্ৰতহে সামৰি লয় য'ত এনে চয়ন নিয়ম ৩৯(১)ৰ অধীনতহে কৰা হয়, অৰ্থাৎ য'ত মূল্যায়ন বছৰৰ মুঠ বিক্ৰীৰ ক্ষেত্ৰত মূল্যায়ন বিক্ৰেতাই চয়ন কৰে আৰু নতুন বিকল্প ব্যৱস্থা বিচাৰে। আনকি তেনে ধৰণে ধৰি ল'লেও, যেতিয়া কোনো বিক্ৰেতাই পূৰ্বৰ বছৰৰ সন্দৰ্ভত নিয়ম ৪০ ৰ অধীনত কৰ পৰিশোধ কৰে, তেওঁক সেই নিয়মৰ ভিতৰত চয়ন কৰা বুলি গণ্য কৰা হয়, তথাপিও, তাত নিয়ম ৩৯(২)ৰ দৰে এনে কোনো নীতি নাই যিয়ে নিয়ম ৩৯(১)ৰ অধীনৰ বিকল্প ব্যৱহাৰ কৰাত তেওঁক বাধা দিব পাৰে। নিয়ম ৩৯(২)ৰ দৰে কোনো নিৰ্দ্দিষ্ট নীতিৰ অভাৱত সাধাৰণ নীতিয়ে কৰ নিৰ্ধাৰকৰ বিধিগত অধিকাৰক বাধা দিব নোৱাৰে। [৬১১ এ-ই]

দেৱানী আপীল অধিকাৰক্ষেত্ৰঃ ১৯৬৪ চনৰ দেৱানী আপীল নং ৫৩৫

১৯৫৪ চনৰ বিক্ৰী কৰ প্ৰসংগ নং ৪৬০ত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ১৯৬১ চনৰ ২৫ জুলাইত দিয়া ৰায় আৰু আদেশৰ পৰা বিশেষ অনুমতি আৰ্জিৰ দ্বাৰা কৰা আপীল।

আপীলকাৰীৰ পক্ষে এ. ভি. বিশ্বনাথ শাস্ত্ৰী আৰু কে. কে. জৈন।

উত্তৰবাদীৰ পক্ষে চি. বি. আগৰৱালা আৰু ও. পি. ৰাণা।

ন্যায়াধীশ ছিক্ৰিয়ে আদালতৰ ৰায়দান কৰে।

বিশেষ অনুমতিৰ আৰ্জিৰ দ্বাৰা উত্তৰ প্ৰদেশ বিক্ৰী কৰ আইন, ১৯৪৮ (উত্তৰ প্ৰদেশৰ ১৯৪৮ চনৰ পঞ্চদশ আইন যাক, যাক ইয়াৰ পিছত আইনখন বুলি কোৱা হ'ব)ৰ ১১ৰ অধীনত এক প্ৰসংগত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ বিৰুদ্ধে এই আপীল কৰা হৈছে। এই সন্দৰ্ভত ন্যায়াধীশ (পুনৰীক্ষণ), বিক্ৰী কৰ, আপীলকাৰী মোদী ছুগাৰ মিলছ লিমিটেড (ইয়াৰ পিছত কৰ দিওঁতা বুলি কোৱা হ'ব)ৰ দ্বাৰা উত্থাপন কৰা প্ৰসংগৰ ভিত্তিত তলত দিয়া প্ৰশ্নটো বিবেচনা কৰিছিলঃ

"এজন বিক্রেতা যাৰ ওপৰত তেওঁৰ চয়ন অনুসৰি পূৰ্বৰ বছৰৰ মুঠ বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা হৈছে, তেওঁ বিক্ৰী কৰ আয়ুক্তৰ পূৰ্বৰ অনুমোদন অবিহনে নিজৰ বিকল্প সলনি কৰি ত্ৰিমাসিক কৰ পৰিশোধ কৰি মূল্যায়ন বছৰ চয়ন কৰিব পাৰিবনে?"

উচ্চ ন্যায়ালয়ে নেতিবাচক ধৰণে এই প্ৰশ্নৰ উত্তৰ দিছিল।

এই প্ৰশ্নৰ উত্তৰ নিৰ্ভৰ কৰে আইনখনৰ ধাৰা ৭(১) আৰু উত্তৰ প্ৰদেশ বিক্ৰী কৰ নিয়মৰ নিয়ম ৩৯, ৪০ আৰু ৪১ৰ ব্যাখ্যা আৰু এই নিয়মসমূহৰ অধীনত দিয়া প্ৰ-পত্ৰ নং ৪ৰ ওপৰত। এই বিধানসমূহ তলত দিয়া ধৰণৰঃ

“ধাৰা ৭-(১)। ধাৰা ১৮ৰ বিধান সাপেক্ষে, যিসকল বিক্ৰেতৰ পূৰ্বৰ বছৰত মুঠ বিক্ৰী ১২,০০০/- বা তাতকৈ অধিক হয়, তেওঁ মূল্যায়ন বছৰৰ আৰম্ভনিৰ পৰা ষাঠি দিনৰ ভিতৰত পূৰ্বৰ বছৰৰ মুঠ বিক্ৰীৰ ওপৰত নিৰ্ধাৰিত প্ৰ-পত্ৰত আৰু নিৰ্ধাৰিত সত্যাপন মতে কৰ পৰিশোধ কৰিব লাগিব।"

যদিহে প্ৰাদেশিক চৰকাৰে নিৰ্ধাৰণ যে যিকোনো বিক্ৰেতা বা বিক্ৰেতাৰ শ্ৰেণীয়ে এই ধাৰাত উল্লেখ কৰা কৰৰ সলনি এনে ব্যৱধানত আৰু স্বীকৃত ৰূপত আৰু নিৰ্ধাৰিত ধৰণে সত্যাপন কৰি মূল্যায়ন বছৰৰ তেওঁৰ মুঠ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিব পাৰে আৰু তাৰ পিছত এই আইনৰ সকলো বিধান এনেদৰে প্ৰযোজ্য হ'ব যেন এই ধাৰা অনুসৰি এনে কৰ যথাযথভাৱে পৰিশোধ কৰা হৈছে।

ইয়াৰ উপৰিও যদিহে মূল্যায়ন কৰ্তৃপক্ষই নিজৰ বিবেচনা অনুসৰি যিকোনো ব্যক্তি বা ব্যক্তিৰ শ্ৰেণীক কৰ পৰিশোধ কৰিবলৈ তাৰিখ বৃদ্ধি কৰি দিয়ে।

....... ........ ....... ........

নিয়ম ৩৯- মূল্যায়ন বছৰৰ চয়নঃ

(১) যিকোনো বিক্ৰতা পূৰ্বৰ বছৰৰ মুঠ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰাৰ পৰিৱৰ্তে মূল্যায়ন বছৰৰ মুঠ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ চয়ন

কৰিব পাৰে আৰু তেনে চয়ন প্ৰ-পত্ৰ ৪ৰ যোগেদি কৰ পৰিশোধ কৰোতে নিৰ্দ্দিষ্ট কৰিব লাগিব।

যদিহে আগৰ বছৰটোৰ গোটেই সময়ছোৱাত ব্যৱসায় নকৰা বিক্ৰেতাই মূল্যায়ন বছৰৰ কৰ দাখিল কৰিবলৈ চয়ন কৰে।

(২) উপ-নিয়ম (১)ৰ অধীনত এবাৰ নিজৰ চয়ন নিৰ্দ্দিষ্ট কৰি দিয়া ব্যৱসায়ীয়ে মূল্যায়নৰ ভিত্তি সলনি কৰিবলৈ পুনৰ নিজৰ বিকল্প ব্যৱহাৰ কৰিব নোৱাৰিব।

কিন্তু বিক্ৰী কৰ আয়ুক্তই লিখিতভাৱে লিপিবদ্ধ কৰা কাৰণত আৰু তেওঁ উপযুক্ত বুলি ভবা চৰ্তত এজন বিক্ৰেতাক নিজৰ বিকল্প ব্যৱহাৰ কৰিবলৈ অনুমতি দিব পাৰে।

নিয়ম ৪০- কৰ দাখিলঃ

প্ৰতিজন বিক্ৰেতাই যিয়ে নিজৰ পূৰ্বৰ বছৰৰ কৰ পৰিশোধ কৰিবলৈ চয়ন কৰে, তেওঁ মূল্যায়ন বছৰ আৰম্ভ হোৱাৰ ষাঠি দিনৰ ভিতৰত বিক্ৰী কৰ বিষয়াক প্ৰ-পত্ৰ ৪ৰ যোগেদি তেওঁৰ পূৰ্বৰ বছৰৰ মূঠবিক্ৰী দেখুৱাই কৰ দাখিল কৰিব লাগিব।

কিন্তু পূৰ্বৰ বছৰত ১৫০০০/- টকাতকৈ কম বিক্ৰি থকা কোনো বিক্ৰেতাই তেনে কৰ পৰিশোধ কৰাৰ প্ৰয়োজন নাই।

নিয়ম ৪১- মূল্যায়ন বছৰৰ কৰঃ

(১) প্ৰতিজন বিক্ৰেতা যাৰ মূল্যায়ন বছৰত আনুমানিক মূঠ বিক্ৰী ১৫০০০/- টকাতকৈ কম নহয় আৰু যিয়ে তেনে বছৰৰ কৰ পৰিশোধ কৰিবলৈ চয়ন কৰে, তেওঁ জুলাই, অক্টোবৰ, জানুৱাৰী আৰু এপ্ৰিল মাহৰ শেষ দিনৰ আগতে বিক্ৰী কৰ বিষয়াক ৩০ জুন, ৩০ ছেপ্টেম্বৰ, ৩১ ডিচেম্বৰ আৰু ৩১ মাৰ্চত তাৰিখে

সমাপ্ত হোৱা ত্ৰৈমাসিকৰ বাবে প্ৰ-পত্ৰ ৪ৰ যোদেদি তেওঁৰ সৰ্বমূঠ বিক্ৰিৰ ওপৰত কৰ পৰিশোধ কৰিব লাগিব।

যদিহে প্ৰতিজন বিক্ৰেতা বা প্ৰতিষ্ঠান যাৰ ক্ষেত্ৰত ধাৰা ১৮ ৰ উপ-ধাৰা (৩)ৰ বিধান প্ৰযোজ্য, ব্যৱসায় আৰম্ভ কৰা বছৰৰ প্ৰতি মাহৰ ম্যাদ উকলি যোৱাৰ সাত দিনৰ ভিতৰত এনে কৰ পৰিশোধ কৰিব লাগিব।"

ধাৰাটোৰ ব্যাখ্যা আৰু নিয়মৰ সৈতে মোকাবিলা কৰাৰ আগতে কেইটামান প্ৰাসংগিক তথ্য দিয়াটো প্ৰয়োজনীয়। দেখা যায় যে ১৯৪৮-৪৯, ১৯৪৯-৫০ আৰু ১৯৫০-৫১ চনৰ মূল্যায়ন বছৰসমূহৰ প্ৰতিটো বছৰৰ বাবে প্ৰাসংগিক পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ বাবে পৰিশোধ কৰা কৰৰ ভিত্তিত কৰদিওঁতাৰ কৰ মূল্যায়ন কৰা হৈছিল। ১৯৫১-৫২ চনৰ মূল্যায়ন বছৰৰ বাবে অৱশ্যে কৰ দিওঁতাই, যাৰ নিয়ম ৩৯ত চয়ন কৰাৰ অভিপ্ৰায় আছিল, পূৰ্বৰ বছৰৰ মূঠ বিক্ৰিৰ ওপৰত কৰ দিয়াৰ বিপৰীতে মূল্যায়ন বছৰৰ মূঠ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিছিল। ন্যায়াধীশ (পুনৰীক্ষণ)য়ে ৰায় দিছিল যে বিক্ৰী কৰ আয়ুক্তৰ অনুমোদন অবিহনে কৰ দিওঁতাজন তেনে কৰাৰ যোগ্য নহয়।

কৰ দিওঁতাজনৰ বিজ্ঞ অধিবক্তা শ্ৰী শাস্ত্ৰীয়ে দৰ্শাইছে যে ওপৰৰ নিয়মসমূহৰ ব্যাখ্যা তলত দিয়া ধৰণে কৰিব লাগেঃ নিয়ম ৩৯ ৰ উপ-নিয়ম (১)ত উল্লেখ কৰা চয়ন হৈছ পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰৰ পৰিৱৰ্তে মূল্যায়ন বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰা আৰু ওলোটাভাৱে নহয়। উপ-নিয়ম (২)ও একে চয়নৰ বিষয়ে আলোচনা কৰে অৰ্থাৎ পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰৰ পৰিৱৰ্তে মূল্যায়ন বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰা। নিয়ম ৪০য়ে নিয়ম ৩৯ৰ বিধানক স্থানচ্যুত নকৰে কাৰণ ইয়াত পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ দাখিল কৰিব বিচৰা প্ৰতিজন বিক্ৰেতাৰ বিষয় সামৰি লোৱা হৈছে। এনে বিক্ৰেতাৰ সৈতে জড়িত আন কোনো নিয়ম নাই আৰু তেওঁ কয় যে ‘চয়ন’

শব্দটোৱে হয়তো প্ৰ–পত্ৰ ৪ত উল্লেখ কৰা চয়নৰ প্ৰসংগ থাকিব পাৰে যিটো আমি এতিয়া বিবেচনা কৰিম। তেওঁ দৰ্শায যে নিয়ম ৩৯ৰ উপ–নিয়ম (২)ত উল্লেখ কৰা চয়নৰ লগত নিয়ম ৪০ত উল্লেখ কৰা চয়নৰ কোনো প্ৰকাৰ সম্পৰ্ক নাই। তাৰ পিছত তেওঁ উত্থাপন কৰে যে নিয়ম ৪১য়ে নিয়ম ৩৯(১)ৰ অধীনত মূল্যায়ন বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ দাখিল কৰিবলৈ চয়ন কৰা বিক্ৰেতাৰ সৈতে জড়িত আৰু এই নিয়মত এই সম্পৰ্কে বিভিন্ন বিষয় সামৰি লোৱা হৈছে।

আনহাতে ৰাজ্যৰ চৰকাৰৰ পক্ষে বিজ্ঞ অধিবক্তা চি.বি. আগৰৱালা ডাঙৰীয়াই দৰ্শাইছে যে নিয়মসমূহত সৈতে আইনখন ধাৰা ৭ৰ বিধানে বিক্ৰেতাক পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত বা মূল্যায়ন বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰাৰ বিকল্প প্ৰদান কৰে। তেওঁ আৰু দৰ্শাইছে যে এই বিকল্পটো কেৱল তেতিয়াহে ব্যৱহাৰ কৰা হয় আৰু কৰিব পাৰি যেতিয়া প্ৰথম বছৰত কোনো বিক্ৰেতা আইনৰ অধীনত কৰ দিবলগীয়া হয় আৰু এই বিকল্প বা চয়নক নিয়ম ৩৯ৰ উপ–নিয়ম (২)য়ে সামৰি লয়। তেওঁ প্ৰ–পত্ৰ ৪ৰ ওপৰত সজোৰে ভৰসা কৰিছে য'ত তলৰ বাক্যশাৰী আছেঃ

"মই .....মাহত সমাপ্ত হোৱা পূৰ্বৰ বছৰৰ/মূল্যায়ন বছৰৰ মোৰ মূঠবিক্ৰীৰ ওপৰত কৰ দাখিল কৰিবলৈ চয়ন চয়ন কৰিছো।"

বিকল্পত তেওঁ দৰ্শায় যে যদিও নিয়ম ৩৯(২)ৰ অধীনত পূৰ্বৰ বছৰৰ কৰ পৰিশোধ কৰাটো সামৰি লোৱা হোৱা নাই, মূল নীতি অনুসৰি কৰ দিওঁতাই পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ সন্দৰ্ভত মূল্যায়নৰ বিকল্প ব্যৱহাৰ কৰি এতিয়া মূল্যায়নৰ ভিত্তি সলনি কৰিব নোৱাৰে।

আমাৰ মতে ন্যায়াধীশে (পুনৰীক্ষন) ভুল কৰিছিল যে কৰ দিওঁতাজনে নিয়ম ৩৯(১) মতে বিক্ৰীকৰ আয়ুক্তৰ অনুমোদন অবিহনে চয়ন কৰাৰ যোগ্য নাছিল আৰু উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা প্ৰশ্নৰ উত্তৰ কৰ দিওঁতাজনৰ পক্ষত হ'ব

লাগিছিল। নিয়ম ৩৯(২)ৰ উপ-নিয়ম (১)ত বিশেষভাৱে চয়নৰ কথা উল্লেখ কৰা হৈছে আৰু নিয়ম ৩৯(১)ত কেৱল এক প্ৰকাৰৰ চয়ন আছে আৰু সেয়া হ'ল এজন বিক্ৰতা পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰাৰ পৰিৱৰ্তে মূল্যায়ন বৰ্ষৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ চয়ন কৰা। অৰ্থাৎ নিয়ম ৩৯(১) অনুসৰি বিক্ৰেতাই চয়ন কৰে যে তেওঁ পূৰ্বৰ বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰাৰ পৰিৱৰ্তে মূল্যায়ন বছৰৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিব, যিটো সাধাৰণতে ধাৰা ৭ ৰ অধীনত হয়। আমাৰ এনে লাগে যে নিয়ম ৩৯(২)য়ে কেৱল সেই ক্ষেত্ৰকহে সামৰি লয় য'ত বিক্ৰেতাই মূল্যায়ন বৰ্ষৰ মূঠবিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ চয়ন কৰে। এইটো সঁচা যে নিয়ম ৪০ত 'চয়ন' শব্দটোও ব্যৱহাৰ কৰা হৈছে কিন্তু ইয়াৰ প্ৰসংগ হয়তো চতুৰ্থ প্ৰ-পত্ৰ ৪ত থকা বাক্যবোৰত থাকিব পাৰে যিবোৰ আমি ইতিমধ্যে ওপৰত উল্লেখ কৰিছো। কিন্তু ধৰি লওক যে যেতিয়া এজন বিক্ৰতাই নিয়ম ৪০ ৰ অধীনত পূৰ্বৰ বছৰৰ সন্দৰ্ভত কৰ পৰিশোধ কৰে আৰু তেওঁ নিয়ম ৪০ৰ বিধান মতে চয়ন কৰে, তথাপিও নিয়ম ৩৯(২)ৰ দৰে কোনো ব্যৱস্থা নাই যিয়ে তেওঁক নিয়ম ৩৯(১)ৰ অধীনত বিকল্প ব্যৱহাৰ কৰাত বাধা দিয়ে। আমাৰ মতে নিয়ম ৩৯(২)ৰ দৰে এটা স্পষ্ট বিধানৰ প্ৰয়োজন আছিল যাতে এজন বিক্ৰেতাই নিয়ম ৩৯(১)ৰ অধীনত দিয়া বিকল্পটো ব্যৱহাৰ কৰিব নোৱাৰে। আমি কোনো মতামত প্ৰকাশ নকৰো যে ধাৰা ৭(১) অধীনত এনে নিয়ম বৈধভাৱে প্ৰস্তুত পাৰি নে নাই। শ্ৰী আগৰৱালৰ এই যুক্তিত আমি আশস্ত হোৱা নাই যে সাধাৰণ নীতিয়ে কৰ দিওঁতাক নিয়ম ৩৯(১)ৰ অধীনত দিয়া বিকল্পক ব্যৱহাৰ কৰিবলৈ বাধা দিয়ে। এইটো কৰ দিওঁতাৰ এটা বিধিগত অধিকাৰ আৰু সাধাৰণ নীতিয়ে, যদি প্ৰযোজ্য হয়, তেন্তে বিধিগত অধিকাৰক স্থানচ্যুত কৰিব নোৱাৰে।

আমি উল্লেখ কৰিব পাৰো যে আপীলৰ ৰায়দানৰ যুক্তিক এলাহাবাদ উচ্চ ন্যায়ালয়ৰ *মেছাৰ্ছ মহেশ কোম্পানী কাহু কোঠী কানপুৰ বনাম বিক্ৰী কৰ আয়ুক্ত উত্তৰ প্ৰদেশ* গোচৰত দিয়া এটা অপ্ৰকাশিত ৰায়দানত সন্দেহ কৰা হৈছে।

ফলাফলত আমি আপীলটো মঞ্জুৰ কৰোঁ আৰু উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা প্ৰশ্নটোৰ ইতিবাচক উত্তৰ দিওঁ। আপীলকাৰীয়ে ইয়াত আৰু উচ্চ ন্যায়ালয়ত তেওঁৰ খৰচ পাব।

আপীল মঞ্জুৰ কৰা হ'ল।

**Disclaimer**

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

অনুবাদকঃ **শ্ৰী খগেন্দ্ৰ কলিতা**

পৰীক্ষকঃ **মোঃ ছফিজুৰ ৰহমান**